স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

চন □ VOL-15 □ NO-328 □ THURSDAY 5 FEBRUARY 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRU

ন

শিল্পী
ৰ্মীক

৩, ৪
মিচিং
াৰ্ষিক
মুখত
হয়।
বাৰৰ
ঘাষণা
ৰুত্তিক
পৃষ্ঠাত

## কানৈ মহাবিদ্যালয়ত উচ্চ শিক্ষা বিভাগৰ যুটীয়া সঞ্চালক প্ৰসন্ন বৰা

# ধনী হ'বলৈ হ'লে প্ৰথমে দুখীয়া হ'বই লাগিব

**মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকা, কৰ্মচাৰী ছাত্ৰ-ছাত্ৰীৰে মত বিনিময়**

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ৪ ফেব্ৰুৱাৰী ঃ** 'ধনী হ'বলৈ হ'লে প্ৰথমে দুখীয়া হ'বই লাগিব। জন্মতে কোনো ধনী হৈ নাহে। শিক্ষাই, জ্ঞান ১৫ পৃষ্ঠাত

# ডুমডুমাত আৰক্ষী উপ পৰিদৰ্শকৰ মৃত্যু

## দুই আৰক্ষী জোৱানসহ আহত ১২জন

**নিয়মীয়া বাৰ্তা, ডুমডুমা, ৪ ফেব্ৰুৱাৰী ঃ** ডুমডুমা আৰক্ষী থানাৰ অন্তৰ্গত চহৰখনৰ সমীপৰ চামডাং বাইপাছত আজি সন্ধিয়া প্ৰায় ৭মান বজাত সংঘটিত হোৱা দুটা পৃথক পথ দুৰ্ঘটনাত অসম ১০ পৃষ্ঠাত

## নেতৃত্বত মানি
## কৌশলগত সহ



যুকৰ বিভাগৰ অভিযান

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে
নিয়মীয়া বাৰ্তা
RY 2026

# ধনী হ'বলৈ হ'লে প্ৰথমে দুখীয়া হ'বই লাগিব

আহৰণৰ যোগেদিহে মানুহৰ জীৱনত ধনী হোৱাত সহায় কৰে। নিজকে ধনী কৰিবলৈ হ'লে কোনো ধনী ঘৰত জন্ম হ'ব নালাগে। জীৱনৰ প্ৰকৃত শিক্ষা আহৰণ কৰি আগুৱাই গ'লেই ধনী হ'ব পাৰি।' ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ত আজি অসমৰ উচ্চ শিক্ষা বিভাগৰ যুটীয়া সঞ্চালক প্ৰসন্ন বৰা উপস্থিত হৈ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ লগত এক মত-বিনিময় অনুষ্ঠানত অংশ গ্ৰহণ কৰি এইদৰে কয়। যুটীয়া সঞ্চালক বৰাই কয়— আমি সপোন দেখোঁ। বয়সৰ লগে লগে আমাৰ সপোনৰ পৰিৱৰ্তন হৈ গৈ থাকে। শেষত আমি য'তেই সুযোগ পাও তাতেই সোমাই পৰোঁ। তেওঁ কয়— আগতে আমেৰিকা কেনেকুৱা তাক কিতাপ অধ্যয়ন কৰি, ভ্ৰমণ কাহিনীৰ পৰা কল্পনা কৰিছিলোঁ। এতিয়া আমি প্ৰকৃত আমেৰিকা দেখিবলৈ সক্ষম হৈছোঁ। মুখ্যদ্বাৰৰ পৰা আৰতিৰে উষ্ম আদৰণি জনাই সভাগৃহলৈ অনা অনুষ্ঠানটিত তেওঁ কয়— আমি বৰ্তমান সময়ক কেতিয়াও অনুভৱ নকৰোঁ। বৰ্তমান সময়ক অনুভৱ নকৰাৰ বাবেই আমি ভৱিষ্যতে বহুখিনি কষ্টৰ সন্মুখীন হওঁ। অধ্যাপক ড° বিৰাজ দত্তই আঁত ধৰা অনুষ্ঠানটিত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয়— জীৱনত নিজকে সফল হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সময় বৰ কম। সেয়ে সময় থকোতেই নিজকে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰা অতি প্ৰয়োজন। জীৱনৰ সত্যটোক সদায় মানি চলিব লাগে আৰু তাৰ সন্মুখীন হ'বলৈ নিজকে প্ৰস্তুত কৰি ৰাখিব লাগে। তেতিয়াহে জীৱনত সফলতা লাভ কৰিব পাৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয়— মহাবিদ্যালয়খনে তোমালোকক বহুত সুবিধা প্ৰদান কৰিছে। তোমালোকে সেই সুবিধা কিমান আদায় কৰিব পাৰিছা সেইটো তোমালোকৰ নিজৰ ওপৰত নিৰ্ভৰ কৰে। মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলীয়ে উদ্দেশ্য ব্যাখ্যা অনুষ্ঠানটিত আদৰণী ভাষণ আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষগৰাকীয়ে যুটীয়া সঞ্চালকগৰাকীয়ে দিনটোৰ ব্যস্ততাৰ মাজতো মহাবিদ্যালয়লৈ আহি অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীসকলৰ লগত এনে এটি সুন্দৰ অনুষ্ঠানত অংশ গ্ৰহণ কৰাৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। লগতে অধ্যক্ষগৰাকীয়ে ৮০ বছৰ গৰকা মহাবিদ্যালয়খনে শৈক্ষিক, আন্তঃগাঁথনি, প্ৰশাসনিক দিশৰ লগতে তথ্য প্ৰযুক্তিৰ দিশত ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ত মহাবিদ্যালয়খনে লাভ কৰা বিভিন্ন সফলতা, সন্মান, বঁটা আদিৰ বিষয়েও অৱগত কৰে। অধ্যক্ষগৰাকীয়ে মহাবিদ্যালয়খনত প্ৰশাসনীয় দিশত কাগজবিহীনভাৱে পৰিচালনা কৰা, চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলৰ বাবে 'কৰ্মবন্ধু' এপ ব্যৱহাৰ কৰাৰ লগতে ছাত্ৰ একতা সভাৰ নিৰ্বাচন অনলাইন মাধ্যমত অনুষ্ঠিত কৰা আৰু ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণীকোঠাৰ উপস্থিতি অনলাইন মাধ্যমত পৃথিৱীৰ ভিতৰতে প্ৰথম তথা বাটকটীয়া বুলি অৱগত কৰে। মহাবিদ্যালয়খন দৈনিক পুৱা ৪.৩০ বজাতে জীপাল হৈ পৰা কথা বিলাকো তেওঁ অৱগত কৰে। মহাবিদ্যালয়খনত সৌৰশক্তিৰ ব্যৱহাৰ, ৮০ শতাংশ শ্ৰেণীকোঠাত এয়াৰ কণ্ডিচনৰ সুবিধা থকাৰ লগতে পৃথিৱীৰ উন্নত বিশ্ববিদ্যালয়সমূহত শ্ৰেণীকোঠাত ব্যৱহাৰ কৰা কৃত্ৰিম বুদ্ধিমত্তা সংযোজিত স্মাৰ্ট এণ্ড ডিজিটেল ব'ৰ্ডৰ অন্য এক নতুন ব্যৱহাৰৰ কথাও অৱগত কৰে। অধ্যক্ষগৰাকীয়ে এনে সুবিধা পৃথিৱীৰ শ্ৰেষ্ঠ শিক্ষানুষ্ঠানহে ব্যৱহাৰ কৰা হয় বুলি অৱগত কৰে। মহাবিদ্যালয়খনে শিক্ষা, ক্ৰীড়া, সংস্কৃতি আদিৰ দিশত আশাপ্ৰদ যশস্যা লাভ কৰাৰ কথাও বিতংভাৱে অৱগত কৰে। অনুষ্ঠানৰ পিছত বিষয়াগৰাকীয়ে মহাবিদ্যালয়ৰ চৌহদ পৰিদৰ্শন কৰে আৰু অধ্যক্ষ ড° শশীকান্ত শইকীয়াক মহাবিদ্যালয়খনক ব্যতিক্ৰমী ৰূপত উত্তৰণ কৰাৰ বাবে ভূঁয়সী প্ৰশংসা কৰে। বিষয়াগৰাকীৰ স'তে ছাত্ৰী ভাৰ্চী গগৈৰ লগতে উপস্থিত ছাত্ৰীসকলে মতবিনিময় কৰে। উল্লেখ্য যে আজিৰ এই অনুষ্ঠানতে যুটীয়া সঞ্চালকগৰাকীক মহাবিদ্যালয় পৰিয়ালৰ তৰফৰ পৰা ফুলাম গামোচা, চেলেং চাদৰ, কিতাপৰ টোপোলা, সম্বৰ্ধনা পত্ৰ আৰু অনুষ্ঠানৰ স্মৃতি বিজৰিত এখন স্থিৰ চিত্ৰৰে উষ্ম সম্বৰ্ধনা জনোৱা হয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকন, অধ্যাপক আদিত্য দাহাল, অধ্যাপিকা ড° অলকানন্দা বৰুৱা, অধ্যাপিকা উৰ্মিলা ৰামছিয়াৰী, অধ্যাপিকা সংক্ৰান্তি দেৱীকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে মহাবিদ্যালয়খনৰ ইতিহাসত উচ্চ শিক্ষা বিভাগৰ যুটীয়া সঞ্চালক মহাবিদ্যালয়খনত ভ্ৰমণ কৰাতো এয়াই প্ৰথম।